# জয়কান্ত শৰ্মাৰ গ্ৰন্থ 'তিৱা ফক টেইলছ' উন্মোচন

গুৱাহাটী, ৮ জানুৱাৰী : গ্ৰন্থমেলা বাককবিত কালি জ্যেষ্ঠ সাংবাদিক, লেখক জয়কান্ত শৰ্মাৰ তিৱা ফক টেইলছ (Tiwa Folk Tales) শীৰ্ষক এখন ইংৰাজী পুথি উন্মোচন কৰা হয় পুথিখনৰ প্ৰকাশক সাহিত্য অকাডেমিৰ উদ্যোগত। উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ লোকসংস্কৃতি বিভাগৰ অধ্যাপক ড° অনিল বড়োৱে। অনুষ্ঠানটোৰ আঁত ধৰে অকাডেমিৰ আঞ্চলিক সচিব ড° দেবেন্দ্ৰ দেৱে।

সেই অনুষ্ঠানতে অকাডেমিৰ উদ্যোগত পূৰ্বোত্তৰ অঞ্চলৰ বিভিন্ন ভাষা-ভাষী এঘাৰজন যুৱ কবিয়ে কবিতাও পাঠ কৰে। সঞ্চালক আছিল ড° বড়ো। কবিকেইজন হ'ল দিলীপ ফুকন (অসমীয়া), দেৱলীনা সেনগুপ্ত দাস (বাংলা), সুৱন্তী দেউৰী (দেউৰী), ৰমেশ থাওজেন (ডিমাচা), হৰকিৰাট হীৰ (হিন্দী), ছন্দ্ৰি কিমি ফাংচো (কাৰ্বি), থাওনাজাম শ্যাম (মণিপুৰী), জুবেল পেগু (মিচিং), নিক শৰ্মা পৰাজুলি (নেপালী), মুবিন ৰাভা (ৰাভা) আৰু জনাৰ্দন পাতৰ (তিৱা)।